# দশভূজা

স্মৰণিকা



সপ্তম বার্ষিক

## উদমাৰী আঞ্চলিক সার্বজনীন শ্রীশ্রীদুর্গাপূজা উদ্‌যাপন

২০১৮ খ্রীষ্টাব্দ

# দশভুজাৰ ভিতৰ চ'ৰা


- দেৱী দুৰ্গা আৰু মহিষাসুৰ ☞ মতিদেৱ শাস্ত্ৰী ৯
- শক্তিপূজা ☞ শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া ১২
- দশভুজা, অস্ত্ৰপাণি, মহিষমৰ্দিনী মহাভয় বিনাশিনী শ্ৰীশ্ৰীদুৰ্গাদেৱী ☞ ড° গণেশ্বৰ চহৰীয়া ১৫
- দেৱী যুগে যুগে ☞ শ্ৰীতৰুণ শৰ্মা ১৯
- শ্ৰীশ্ৰীদুৰ্গাপূজা আৰু বলি বিধান ☞ শ্ৰীফুলেন চৌধুৰী ২৩
- দেৱী দুৰ্গাৰ নৱ ৰূপ ☞ বিজয়া ডেকা ২৫
- দেৱীৰ পূজা প্ৰকৰণত সন্ধিপূজাৰ বিশেষত্ব ☞ শ্ৰীজয়নাথ ডেকা ২৭
- শৰৎ আৰু কিছু অনুভৱ ☞ শ্ৰীচিনুপ্ৰিয়া ডেকা চহৰীয়া ২৯
- আমাৰ আপোন গাঁওখন ☞ শ্ৰীৰামেশ্বৰ ডেকা ৩০
- শাৰদীয় অনুভৱ ☞ শ্ৰীকৰবী শৰ্মা ৩৩
- শ্ৰীশ্ৰীচণ্ডী ☞ শ্ৰীনৱজ্যোতি দেৱ শৰ্মা ভৰদ্বাজ ৩৪
- শ্ৰীশ্ৰীচণ্ডী ☞ শ্ৰীনৱজ্যোতি দেৱ শৰ্মা ভৰদ্বাজ ৩৪
- নীলপদ্ম আৰু মা দেৱী দুৰ্গা ☞ শ্ৰীবিকাশ বৰুৱা ৩৮
- উদমাৰী আঞ্চলিক সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গাপূজা ঃ এক অৱলোকন ☞ কৃষ্ণকান্ত বড়ো ৪১
- দেৱী শাকম্ভৰী আৰু নৱ পত্ৰিকা পূজা ☞ শ্ৰীপ্ৰমোদ চন্দ্ৰ চহৰীয়া ৪৬
- শাৰদীয় দুৰ্গা পূজা ☞ শ্ৰীহৰেন্দ্ৰ দেৱ শৰ্মা ৪৭
- সনাতন ধৰ্মত দেৱী দুৰ্গা ☞ মেঘালী ডেকা ৪৯
- দুৰ্গোৎসৱ আৰু পৰিবেশ্য কলা ওজাপালি ☞ শ্ৰীতন্ময়ী শৰ্মা ৫১
- শেৱালিৰ সুৱাস ☞ শ্ৰীতাৰিণী কান্ত ডেকা ৫৪
- শৰতৰ এটি কবিতা ☞ শ্ৰীধীৰেশ্বৰ চহৰীয়া ৫৪
- শক্তিৰূপিনী ☞ শ্ৰীহিতেশ নাথ ৫৬
- দেৱী মহামায়া ☞ শ্ৰীকল্পনা ডেকা ৫৬
- দেৱীলৈ প্ৰণাম ☞ শ্ৰীতীৰ্থ চহৰীয়া ৫৫
- শেষ উপহাৰ ☞ শ্ৰীৰিমজিম্ চহৰীয়া ৫৫
- শেষ উপহাৰ ☞ শ্ৰীৰিমজিম্ চহৰীয়া ৫৫
- বিষাদ ☞ শ্ৰীচুমি ডেকা ৬০
- শৰতৰ আগমন ☞ শ্ৰীবনশ্ৰী শৰ্মা ৬০
- দুৰ্গতি নাশিনী মা দুৰ্গা নন্দিতা চহৰীয়া ৫৭
- মহালয়া ☞ শ্ৰীডলি চহৰীয়া ৫৮
- মা দুৰ্গাদেৱী ☞ শ্ৰীভিজিত ডেকা ৫৯
- দশভুজা ☞ শ্ৰীউদেষ্ণা শৰ্মা ৬১
- পূজাৰ আলোড়ন ☞ শ্ৰীঅদিতি শইকীয়া ৬১
- সম্পাদনা সমিতিৰ সভাপতিৰ এষাৰ ৬৪
- উদযাপন সমিতিৰ সভাপতিৰ শাৰদীয় অনুভৱ ৬২
- উদযাপন সমিতিৰ সম্পাদকৰ এষাৰ ৬৩
- কাৰ্য-সূচী ৬৫
- দুৰ্গাপূজাৰ প্ৰতিমাকে ধৰি বিভিন্ন দাতাসকলৰ নাম ৭০

# দেৱী দুৰ্গাৰ নৱ ৰূপ

বিজয়া ডেকা
বকো

সনাতন ধৰ্মৰ লোকসকলে অন্যান্য দেৱ-দেৱীৰ লগতে দেৱী দুৰ্গাকো পূজা-অৰ্চনা কৰে। দুৰ্গতিনাশিনী, দশাভূজা, কাত্যায়নী, ভাগৱতী, চামুণ্ডা, ত্ৰিলোক গৌৰবৰ্ণা, স্বৰ্ণ বৰ্ণা, শাকাম্বৰী, কল্যাণময়ী ভীমা, কালী আদি নানা ৰূপত দুৰ্গাদেৱীক পূজা কৰি ভক্তসকলে মনৰ বাঞ্ছা পূৰণ কৰিবলৈ চেষ্টা কৰে। অধৰ্মৰ পৰাজয় আৰু ধৰ্মৰ জয়ৰ বাবেই দুৰ্গাই ভিন্ন সময়ত ভিন্ন ৰূপ ধাৰণ কৰে। শাস্ত্ৰমতে দেৱতা আৰু মানুহৰ দিন-ৰাতি সময়ৰ মাজত প্ৰভেদ আছে। মানুহৰ দিন ৰাতি হয় ২৪ ঘণ্টাত। কিন্তু দেৱতসকলৰ এদিন এৰাতিত এবছৰ থাকে। অৰ্থাৎ আমাৰ ছমাহ দিন আৰু ছমাহ ৰাতি মিলি দেৱতাসকলৰ এদিন-এৰাতি হয়। দেৱতাসকলৰ দিনক উত্তৰায়ণ আৰু ৰাতিক দক্ষিণায়ন বোলা হয়। উত্তৰায়ণৰ সময় মাঘ মাহৰ পৰা আহাৰ মাহলৈ আৰু দক্ষিণায়নৰ সময় হ'ল শাওণ মাহৰ পৰা পুহ মাহলৈ। মানুহৰ হিচাপত দেৱতাসকলে ছমাহ শোৱে আৰু ছমাহ উজাগৰে থাকে।

অনন্ত শক্তিৰ আধাৰ স্বৰূপ দেৱী দুৰ্গাৰ আদিতে ৰজা সুৰথ আৰু সমাধি বৈশ্যাই পূজা কৰিছিল। ৰজা সুৰথে দেৱী দুৰ্গাক পূজা কৰি নিজৰ হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰ কৰিছিল। আৰু সমাধি বৈশ্যাই আত্মজ্ঞান লাভ কৰি মুক্তি লাভ কৰিছিল। এই পূজা বসন্ত কালত কৰা হৈছিল।

শ্ৰীৰামচন্দ্ৰই ত্ৰেতা যুগত শৰৎ কালত অকালবোধন কৰি জগন্মাতা মা দুৰ্গাৰ পূজা কৰি মহাশক্ৰ প্ৰবল-প্ৰতাপী স্বৰ্ণলংকাৰ অধিপতি ৰাৱণক বধ কৰি পত্নী সীতাক উদ্ধাৰ কৰিছিল। শৰৎ কাল দক্ষিণায়নৰ সময়ত হোৱা বাবে দেৱী দুৰ্গা নিদ্ৰিতা অৱস্থাত থাকে। সেয়েহে দেৱী দুৰ্গাক বোধন (জাগৰণ) কৰিবলগীয়া হয়।

ভগৱান ব্ৰহ্মাই মা দুৰ্গাৰ ৯ টা নামকৰণ কৰিছিল। সেইকেইটা হ'ল শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী।

পৰ্বতৰাজ হিমালয়ৰ কন্যাৰূপে জন্ম গ্ৰহণ কৰা বাবে দুৰ্গাদেৱীৰ এটি নাম 'শৈলপুত্ৰী'। এই ৰূপত বাওহাতত কমল পুষ্প, সোঁহাতত ত্ৰিশূল আৰু বৃষভ বাহন। নৱৰাত্ৰি পূজাৰ প্ৰথম দিনত 'শৈলপুত্ৰী'কে আৰধনা কৰা হয়।

ব্ৰহ্মচাৰিণী হ'ল মা দুৰ্গাৰ দ্বিতীয় ৰূপ। 'ব্ৰহ্ম' শব্দই তপসাক সূচায়। ব্ৰহ্মচাৰিণী মানে তপশ্চাৰিণী। ব্ৰহ্মচাৰিণীৰ দক্ষিণ হস্তত ৰূপৰ মালা আৰু বাওঁ হস্তত কমণ্ডলু থাকে। পূৰ্বজন্মত যেতিয়া দেৱী দুৰ্গাই হিমালয় কন্যাৰূপে জন্ম লাভ কৰিছিল নাৰদৰ পৰামৰ্শ অনুসৰি তেওঁ ভগৱান শংকৰক পাবলৈ কঠোৰ তপস্যা

কৰিছিল। সেয়ে তেওঁক 'তপচাৰিণী' বা 'ব্ৰহ্মচাৰিণী' বোলা হয়। এই ৰূপত দেৱী উপসনা কৰিলে মানুহৰ স্বভাব, তপ, ত্যাগ, বৈৰাগ্য, সদাচাৰ, সংশয় বৃদ্ধি হয় বুলি বিশ্বাস কৰা হয়। দুৰ্গাপূজা দ্বিতীয় দিনত এওঁক পূজা কৰা হয়। চন্দ্ৰঘণ্টা হ'ল দেৱী দুৰ্গাৰ তৃতীয় শক্তি। এইৰূপত দেৱীৰ মস্তকত ঘণ্টাৰ আকাৰত অৰ্ধচন্দ্ৰই শোভা বৰ্দ্ধন কৰে। সেয়েহে তেওঁৰ নাম 'চন্দ্ৰঘণ্টা'। দুৰ্গাপূজাৰ তৃতীয় দিনত দেৱীক এই ৰূপত পূজা-অৰ্চনা কৰা হয়। এই ৰূপ দশভূজা। দশ হাতত খড়গ, বান আদি অস্ত্ৰ বিভূষিত বাহন সিংহ আৰু ভঙ্গিমা যুদ্ধৰ বাবে উদ্যত। মাতা চন্দ্ৰঘণ্টাৰ কৃপাত সাধকৰ সকলো অপায়, অমঙ্গল, পাপ, বাধা-বিঘিনি বিনষ্ট হয় বুলি ধৰা হয়।

'কুষ্মাণ্ড' হ'ল দেৱী দুৰ্গামাৰ চতুৰ্থ নাম। তেওঁ স্বল্প হাস্যসহ ব্ৰহ্মাণ্ডক উৎপন্ন কৰা বাবেই দেৱীক 'কুষ্মাণ্ডা দেৱী' নামে জনা যায়। মাতৃৰ এই ৰূপৰ আৰাধনাই ভক্তক ভৱসাগৰ পাৰ হোৱাত সহায়ক হয়। যেতিয়া এই সংসাৰত একো নাছিল, চাৰিওফালে অন্ধকাৰ আছিল। সেই সময়ত 'কুষ্মাণ্ডা' দেৱীয়ে ঈষৎ হাস্যৰ দ্বাৰা ব্ৰহ্মাণ্ড সৃষ্টি কৰিছিল। সেইবাবে কুষ্মাণ্ড দেৱীয়ে হ'ল জগতৰ আদি স্বৰূপা, আদি শক্তি।

মাতা দেৱী দুৰ্গা 'স্কন্দমাতা' নামেৰেও পৰিচিত। স্কন্দ হ'ল 'কুমাৰ কাৰ্তিকৰ' এটি নাম। স্কন্দৰ বাহন ময়ূৰ। স্কন্দৰ মাতা হোৱা বাবেই দেৱী দুৰ্গাৰ আন এটি নাম হ'ল - স্কন্দমাতা। নৱৰাত্ৰি পূজাৰ পঞ্চম দিনত এওঁক আৰাধনা কৰা হয়। স্কন্দ মাতৃ স্বৰূপিনী দেৱী হ'ল চতুৰ্ভূজা। শুভ বৰণৰ পদ্মাৰ ওপৰত উপবিষ্টা বাবে দেৱীক পদ্মাসনত বুলি কোৱা হয়। ভৱ সাগৰৰ দুখৰ পৰা মুক্তি লাভ কৰিবলৈ দেৱীৰ এই ৰূপক অৰ্চনা কৰিব লাগে। এই ৰূপত দেৱীৰ কোলাত বালক স্কন্দ উপবিষ্ট হৈ থাকে।

দেৱী -দুৰ্গা 'কাত্যায়নী' নামেৰেও খ্যাত। 'কাত্য' গোত্ৰত বিশ্বপ্ৰসিদ্ধ মহৰ্ষি কাত্যায়নে জন্ম গ্ৰহণ কৰিছিল আৰু তেওঁ ভগৱতী পৰাম্বাৰ উপসনাত বহু বছৰ ধৰি, সাধনা কৰিছিল। মাতা ভগৱতীক কন্যাৰূপে লাভ কৰাই আছিল এই তপস্যাৰ মূল কাৰণ। মাতা ভগৱতী সন্তুষ্ট হৈ কন্যাৰূপে জন্ম গ্ৰহণ কৰে।

কিছুকাল পিছত দানৱ মহিষাসুৰৰ অত্যাচাৰ ৰোধ কৰিবলৈ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰে নিজ নিজ অংশ দি এক দেৱীৰ সৃষ্টি কৰিলে। মহৰ্ষি কাত্যায়নে পোনপ্ৰথমে এওঁৰ আৰাধনা কৰিছিল। সেই হেতু দেৱীৰ 'কাত্যায়নী' নামেৰেও খ্যাতি আছে।

দুৰ্গাপূজাৰ ষষ্ঠ দিনত দেৱীক এই ৰূপত পূজা অৰ্চনা কৰা হয়।

দুৰ্গাদেৱীৰ আন এটি নাম হ'ল 'কালৰাত্ৰি'। দেৱীৰ এই ৰূপ ঘোৰ অন্ধকাৰ, গাত্ৰবৰ্ণ। মূৰৰ চুলি মেলা, গলত বিদ্যুৎ চমকৰ ন্যায় উজ্জ্বল মালা আৰু ত্ৰিনেত্ৰ বিশিষ্টা। নাকৰ শ্বাস-প্ৰশ্বাসত ভয়ঙ্কৰ অগ্নিশিখা নিৰ্গত হয়। দক্ষিণ হস্তত বৰমুদ্ৰাও সকলোকে বৰ প্ৰদান কৰি আছে। বাওঁ হাতত লোহাৰ কাইট ধাৰণ আৰু তলৰ হাতত আছে খড়্গ। দুৰ্গা পূজাৰ সপ্তম দিনৰ দেৱীত এই ৰূপক পূজা কৰা হয়। দেৱীৰ এই ৰূপ শুভঙ্কৰী।

'মহাগৌৰী' হ'ল দুৰ্গাদেৱীৰ আন এটি নাম। গৌৰ বৰ্ণৰ দেৱীক তুলনা কৰা হয় শংখ, চন্দ্ৰ, আৰু কন্দফুলৰ লগত। চতুৰ্ভূজ বিশিষ্টা দেৱীৰ বাহন হ'ল বৃষভ। দক্ষিণ হস্তৰ ওপৰ ভাগত অভয় মুদ্ৰা, নিম্ন ভাগত ত্ৰিশূল পৰিহিতা। বাম হাতৰ ওপৰ ভাগত ডম্বৰু আৰু তলৰ ভাগত বৰ মুদ্ৰা। দেৱীৰ এই ৰূপ অতিশয়

শান্ত। শিৱক পতিৰূপে পাবৰ হেতু দেৱীয়ে কঠোৰ তপস্যা কৰোতে মুগ্ধ হৈ শিৱই গংগাৰ জলেৰে স্নান কৰালে। ফলত দেৱীৰ গাৰ বৰণ গৌৰবৰ্ণ হৈ উঠে। সেয়েহে দেৱীক 'মহাগৌৰী' নামে জনা যায়। দেৱীক দুৰ্গা পূজাৰ অষ্টমদিনত আৰাধনা কৰা হয়। 'সিদ্ধি দাত্ৰী' নামেৰে মাতা দুৰ্গা পৰিচিত যি ৰূপত তেওঁ সিদ্ধি প্ৰদান কৰি থাকে। মাতা সিদ্ধিদাত্ৰী চতুৰ্ভূজা। কেতিয়াবা সিংহবাহনা, কেতিয়াবা পদ্মাসনা। দক্ষিণৰ উৰ্দ্ধ হস্তত গদা, নিম্ন হস্তত চক্ৰ, বামহাতৰ উৰ্দ্ধত পদ্মফুল আৰু নিম্নহস্তত শংখ। নৱৰাত্ৰিৰ নৱম দিনত এওঁক আৰধানা কৰা হয়। মাতা ভগৱতীৰ পৰম সান্নিধ্যই ভক্তক একো বস্তুৰ প্ৰয়োজন নাথাকে, সাংসাৰিক ইচ্ছা, প্ৰয়োজনৰ উৰ্ধলৈ লৈ যায়। □□

# দেৱীৰ পূজা প্ৰকৰণত সন্ধিপূজাৰ বিশেষত্ব

শ্ৰীজয়নাথ ডেকা
উদমাৰী

মহিষমৰ্দিনী দুৰ্গাদেৱীক শৰতৰ শুক্লা ষষ্ঠীৰ পৰাই শুক্লা দশমীলৈ বিভিন্ন প্ৰকাৰে পূজা-অৰ্চনা কৰা দেখা যায়। ষষ্ঠীৰ দেৱীক বিশ্ববোধন যোগে পূজাৰ আৰম্ভণ কৰা হয়। সপ্তমী তিথিত আকৌ নৱ-পত্ৰিকাসহ নৈমিত্তিক পূজাভাগ দেৱীক অৰ্পণ কৰা হয়। সেইদৰে দেৱীপূজাৰ তৃতীয় দিৱসত মহা অষ্টমী পূজাৰ পয়োভৰ ঘটে। চতুৰ্থ দিনা দেৱীৰ মহানৱমী পূজা আৰম্ভ হয়। এই মহাষ্টমী আৰু মহানৱমীৰ সন্ধিক্ষণত 'সন্ধিপূজা' নামে দেৱীক চামুণ্ডাৰূপত পূজা কৰা হয়। সন্ধিপূজাই দেৱী অৰ্চনাত এক বিশেষ ভূমিকা পালন কৰে। সন্ধিপূজাৰ সংযোজিত অষ্টমী আৰু নৱমী তিথিক কিয় মহাষ্টমী আৰু মহানৱমী হিচাপে অভিহিত কৰা হ'ল? ই এক সকলো ভক্তৰ বাবে প্ৰশ্ন হৈ থিয় দিয়ে। এই সন্ধিপূজাত মহিমাময়ী দুৰ্গাদেৱীক স্ব-ৰূপত পূজা অৰ্চনা নকৰি তেওঁৰে অন্যৰূপ 'চামুণ্ডা' ৰূপত পূজাৰ আহুতি দিয়া হয় - সিয়ো এক অন্য প্ৰশ্নৰ অৱতাৰণা কৰে।

যাহওক, মহাঅষ্টমী তিথিৰ শেষদণ্ড আৰু মহানৱমী তিথিৰ প্ৰথম দণ্ডৰ ভিতৰত এই পূজা আৰম্ভ তথা সমাপ্ত হয়। প্ৰতিদণ্ডত ২৪ মিনিট মুঠ ৪৮ মিনিট সময় সন্ধিপূজাৰ প্ৰকৃত সময়। সন্ধিপূজাৰ সতে সুসংযোজিত কাহিনীমতে সীতা উদ্ধাৰৰ হেতু ব্ৰহ্মাৰ পৰামৰ্শত অযোধ্যাৰ ৰজা ৰামচন্দ্ৰই অকালবোধন যোগে নিদ্ৰিত অৱস্থাত বিহুকুমাৰীৰূপে থকা দেৱীক জাগ্ৰত কৰি ৰাৱণবধৰ হেতু পূজা কৰে। তথাপিতো দেৱীক লৰাব নোৱাৰি আহিন মাহৰ শুক্লা অষ্টমী আৰু শুক্লানৱমী তিথিৰ সন্ধিক্ষণতে দুৰ্গাদেৱীৰ চামুণ্ডাৰূপত ১০৮ টা নীল পদ্মৰে পূজা কৰাত ৰাম-ৰাৱণৰ যুদ্ধৰ সম্মতি প্ৰাপ্ত হয়। কিয়নো দেৱীৰ একান্ত ভক্ত ৰাৱণক যুদ্ধত পৰাভূত কৰিবলৈ তেওঁৰ ইষ্টদেৱীৰ